**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-05-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ কাইলৈ অনুষ্ঠিত হ'ব। দ্বিতীয় পৰ্যায়ত ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, গোৱালপাৰা, বঙাইগাঁও, বৰপেটা, বজালী, নলবাৰী, কামৰূপ, কামৰূপ মহানগৰ, হোজাই, নগাঁও, মৰিগাঁও আৰু দৰং জিলাত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্যায়ত ৯১ লাখ ৩১ হাজাৰ ১২৭ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব। ইয়াৰে পুৰুষ ভোটদাতা হ'ল ৪৬ লাখ ৩০ হাজাৰ ৯২৪ জন আৰু মহিলা ভোটদাতা হ'ল ৪৪ লাখ ৯৯ হাজাৰ ৯৫২ গৰাকী। দ্বিতীয় পৰ্যায়ত মুঠ ২৯ হাজাৰ ৬০৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ইয়াৰ ভিতৰত জিলা পৰিষদত ৪৯৫ গৰাকী, আঞ্চলিক পঞ্চায়তত দুহেজাৰ ৩৮৮ গৰাকী আৰু গাঁও পঞ্চায়ত সদস্য পদত ২৬ হাজাৰ ৭২৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ইতিমধ্যে এহেজাৰ ২৮৯ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। এই নিৰ্বাচনৰ বাবে মুঠ ১২ হাজাৰ ১৩০টা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে। ইতিমধ্যে ভোটগ্ৰহণ হ'বলগীয়া জিলাকেইখনলৈ প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলে যাত্ৰা কৰিছে।

কাইলৈ হ'বলগীয়া নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহ সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। কামৰূপ মহানগৰ জিলাৰ জালুকবাৰী সম জিলা আৰু ডিমৰীয়া সম জিলাৰ পৰা বেলট কাকত, বেলট বাকচকে ধৰি ভোটগ্ৰহণৰ যাৱতীয় সামগ্ৰী সংগ্ৰহ কৰি বিষয়া-কৰ্মচাৰীসকল নিজ নিজ ভোটকেন্দ্ৰলৈ ৰাওনা হৈছে। জিলাখনৰ ছখন জিলা পৰিষদ, তিনিখন আঞ্চলিক পঞ্চায়ত আৰু ২০ খন গাঁও পঞ্চায়তৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে গুৱাহাটী মহানগৰীত কৰ্মসূত্ৰে থকা লোকসকল ইতিমধ্যে নিজ নিজ জিলালৈ ৰাওনা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত জালুকবাৰী, আদাবাৰী, খানাপাৰা আদি বাছ আস্থানসমূহৰ উপৰি কামাখ্যা, পল্টনবজাৰ ৰে'ল ষ্টেচনত যাত্ৰীৰ ভিৰ পৰিলক্ষিত হৈছে। পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি গুৱাহাটী মহানগৰীতো যান-বাহনৰ সংখ্যা যথেষ্ট কম হোৱাত যাতায়াতৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হৈছে।

দক্ষিণ শালমাৰা মানকাচৰ জিলাত ২৫ টা ভোটগ্ৰহণ কেন্দ্ৰ সম্পূৰ্ণৰূপে মহিলাৰ দ্বাৰা পৰিচালিত হ'ব। আজি পুৱাৰ পৰাই প'লিং আৰু প্ৰিজাইডিং বিষয়াসকলে ভোটগ্ৰহণৰ সামগ্ৰীসমূহ সংগ্ৰহ কৰি নিজ নিজ ভোটকেন্দ্ৰলৈ ৰাওনা হৈছে।

০০০০

যুদ্ধকালীন পৰিস্থিতি সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে কাইলৈ দেশৰ বিভিন্ন স্থানত সতৰ্কতামূলক অনুশীলন চলোৱা হ'ব। পেহেলগামত সন্ত্ৰাসবাদীয়ে পৰ্যটকৰ ওপৰত নৃশংস আক্ৰমণ চলোৱাৰ পাছত ভাৰত আৰু পাকিস্তানৰ মাজৰ সম্পৰ্কৰ চূড়ান্ত অৱনতি ঘটাৰ সময়তে কেন্দ্ৰীয় গৃহমন্ত্ৰালয়ে ৰাজ্যসমূহক জৰুৰী পৰিস্থিতিৰ বাবে সাজু থকাৰ নিৰ্দেশনা জাৰি কৰিছে। যিকোনো যুদ্ধকালীন পৰিস্থিতিত সন্মুখীন হোৱা সমস্যা সন্দৰ্ভত সৰ্বসাধৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে কাইলৈ ৰাজ্যসমূহক এই সতৰ্কতামূলক অনুশীলন চলাবলৈ গৃহ মন্ত্ৰালয়ে নিৰ্দেশ দিছে। মন্ত্ৰালয়ে ৰাজ্য চৰকাৰসমূহক সাতটা বিষয়ত জনসাধাৰণৰ মাজত সচেতনতা বৃদ্ধিৰ পৰামৰ্শ আগবঢ়াইছে। বিমান আক্ৰমণৰ সময়ত চাইৰেন ব্যৱস্থাৰ সক্ৰিয়কৰণ, সাধাৰণ লোক বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষা নিশ্চিত কৰা, হঠাৎ বিদ্যুৎ কৰ্তন বা ব্লেক আউট হ'লে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ব সেই বিষয়ত সজাগ কৰা আপাতকালীন পৰিস্থিতিত দ্ৰুত উদ্ধাৰ আৰু

গুৰুত্বপূৰ্ণ কাৰখানা বা ঘাটিত নিৰাপত্তা নিশ্চিতকৰণ আদি বিষয়ত সজাগতা সৃষ্টিৰ বাবে মন্ত্ৰালয়ে ৰাজ্য চৰকাৰসমূহক পৰামৰ্শ দিছে। উল্লেখযোগ্য যে, যোৱা ২২ এপ্ৰিলত পেহেলগামত সন্ত্ৰাসবাদীয়ে চলোৱা আক্ৰমণৰ পাছতে ভাৰতে বিভিন্ন কূটনৈতিক কৌশলেৰে পাকিস্তানৰ ওপৰত চাপৰ সৃষ্টি কৰি আহিছে। ভাৰত আৰু পাকিস্তানৰ মাজত যুদ্ধ উত্তেজনা চলি থকাৰ সময়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত তিনিদিন ধৰি প্ৰতিৰক্ষা মন্ত্ৰালয় আৰু সেনাৰ শীৰ্ষ বিষয়াসকলৰ সৈতে সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত এখন পাছত আনখন গুৰুত্বপূৰ্ণ বৈঠকতো মিলিত হৈছে।

০০০০০০

লখিমপুৰ জিলাৰ ঢকুৱাখনাৰ ম'হঘূলি চাপৰিৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশত অহা ৯ মে'ৰ পৰা তিনিদিনীয়াকৈ ঐতিহ্যমণ্ডিত ফাট বিহু পালন কৰা হ'ব। ৯ মে'ৰ পুৱা ফাট বিহু সমিতিৰ সভাপতি বসন্ত শইকীয়াই পতাকা উত্তোলনেৰে বিহু পালনৰ শুভাৰম্ভ কৰিব। দিনৰভাগত বিহু দলসমূহক মূল তোৰণৰ পৰা ম'হঘূলি চাপৰিলৈ আদৰণি জনোৱা হ'ব। ইয়াৰ পাছতে টকা বিহু প্ৰতিযোগিতা আৰু চেমনীয়া হুঁচৰি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দ্বিতীয়া দিনা কপৌ ফুল আৰু গছপুলি ৰোপণ, গামোচা প্ৰতিযোগিতা, পূৰ্ণ বয়স্ক হুঁচৰি প্ৰতিযোগিতা আৰু ফাট বিহুৰ বছৰেকীয়া মুখপত্ৰ **বিহুৱান** উন্মোচন কৰা হ'ব। বিশিষ্ট কবি-সাহিত্যিক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰী অধ্যাপক ড০ কৰবী ডেকা হাজৰিকাই মুখপত্ৰখন উন্মোচন কৰিব। অন্তিম দিনা অৰ্থাৎ ১১ মে'ত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা, গছতলৰ মুকলি বিহু প্ৰতিযোগিতা আৰু মুকলি সভা অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। এই অনুষ্ঠানত ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী, সাংসদ-বিধায়ক আৰু সাংস্কৃতিক ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

দেলহী কেপিটেলছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ মাজত যোৱানিশা হায়দৰাবাদত অনুষ্ঠিত খেলখন বৰষুণৰ বাবে ইনিংছ ব্ৰেকৰ সময়ত পৰিত্যক্ত ঘোষিত হয়। ফলত দুয়োটা দলেই এক পইণ্টকৈ লাভ কৰে যদিও প্লে অফ পৰ্যায়ৰ দৌৰৰ পৰা হায়দৰাবাদে বিদায় লয়। ইপিনে দেলহী কেপিটেলছ সম্প্ৰতি পইণ্ট তালিকাৰ পঞ্চম স্থানত আছে।

০০০০০০

সমাপ্ত